## শিক্ষাৰ আৰু ৰাজনীতি

সামাজিক ব্যৱস্থা হিচাপে শিক্ষা আৰু ৰাজনীতিৰ সম্পৰ্ক গভীৰ৷ প্ৰাচীন কালৰে পৰা শিক্ষাত ৰাজনীতি আৰু ৰাজনীতিত শিক্ষাৰ প্ৰভাৱ পৰি আহিছে৷ ৰাজনৈতিক সংস্থা সমূহে যেনেদৰে শৈক্ষিক ব্যৱস্থাটোত প্ৰভাৱ পেলায়, সেইদৰে শিক্ষাই দেশৰ ৰাজনীতিত বিস্তৰ প্ৰভাৱ পেলাব পাৰে৷

শিক্ষা আৰু ৰাজনীতিৰ অন্তৰ্গত দিশসমূহ

১) শৈক্ষিক নীতি৷

২) সংবিধান আৰু শিক্ষা৷

৩) ৰাষ্ট্ৰ আৰু শিক্ষা৷

৪) ৰাজনীতি আৰু শিক্ষা৷

### শৈক্ষিক নীতি

প্ৰত্যেক চৰকাৰে ৰাষ্ট্ৰত প্ৰচলিত শিক্ষা ব্যৱস্থাৰ বাবে আচনি আৰু নীতি প্ৰস্তুত কৰে৷ নীতি নিৰ্ধাৰণ হৈছে আইন প্ৰণয়ণ কৰা আৰু শিক্ষাৰ মানডণ্ড নিৰ্ধাৰণ কৰা প্ৰক্ৰিয়া৷ ইয়াৰ দ্বাৰা চৰকাৰে আন আন সংস্থা সমূহক নিৰ্ধাৰণ কৰা নীতি সমূহ কাৰ্যকৰী কৰিবলৈ নিৰ্দেশ প্ৰদান কৰে৷

### সংবিধান আৰু শিক্ষা

সংবিধান হৈছে এখন ৰাষ্ট্ৰ পৰিচালিত হোৱা নীতি নিয়ম সমূহৰ সমষ্টি, যি লিখিত বা অ-লিখিত দুয়োটা ৰূপতে থাকিব পাৰে৷ সংবিধানে চৰকাৰক আইন সমূহ জনসাধাৰণৰ কল্যানৰ বাবে প্ৰণয়ণ কৰিব পৰাকৈ দিশ নিৰ্ধাৰণ কৰে৷ ভাৰতীয় সংবিধানত উল্লেখ কৰা সকলোবোৰ দিশ অনুচ্ছেদ অনুযায়ী জানিবৰ বাবে ইয়াত ক্লিক কৰক৷ Click Here

### শিক্ষাৰ ৰাজনৈতিক প্ৰকৃতি

শিক্ষাৰ ৰাজনৈতিক প্ৰকৃতি হৈছে ৰাষ্ট্ৰৰ ৰাজনৈতিক ব্যৱস্থাই শিক্ষাৰ ওপৰত বিস্তাৰ কৰা প্ৰভাৱ৷ ৰাষ্ট্ৰৰ ৰাজনৈতিক সংস্থা যেনে, ৰাজনৈতিক দ'ল সংগঠন, ক্ষমতাত অধিষ্ঠিত ব্যক্তি আৰু সংস্থা সমূহে প্ৰচলিত শিক্ষা ব্যৱস্থাটোত নানা প্ৰকাৰে প্ৰভাৱ বিস্তাৰ কৰে, যেনে শিক্ষাৰ উদ্দেশ্য, নীতি, ব্যৱস্থাপনা, শিক্ষক আৰু আন শিক্ষা বিভাগৰ কৰ্মচাৰী নিযুক্তি আৰু আৰ্থিক অনুদান প্ৰদান আদি৷ যদিও শিক্ষাক ৰাজনীতিৰ ক্ষেত্ৰৰ পৰা মুক্ত বুলি ভৱা হয়, তথাপি বহু সময়ত চৰকাৰৰ আদৰ্শ সমূহ শিক্ষাৰ দিশত প্ৰতিফলন হোৱা দেখা যায়৷ আমি সকলোৱে জানো যে ভাৰতবৰ্ষ বৃটিচৰ পৰাধীন আছিল আৰু ভাৰতৰ বৰ্তমানৰ আধুনিক শিক্ষা ব্যৱস্থাটো বৃটিচ সকলৰ অৱদানৰ বাবে সম্ভৱ হৈছিল, কিন্তু তেওঁলোকৰ ঔপনিৱেশিক শাসনৰ দীৰ্ঘম্যাদী কাল আৰু তেতিয়াৰ পৰা বিভিন্ন ৰাজনৈতিক গোটৰ হেঁচাৰ ফলত সময়ে সময়ে ভাৰতৰ শৈক্ষিক নীতিসমূহ প্ৰভাৱিত হৈছে৷ উদাহৰণ স্বৰূপে আমি মেকলেৰ নীতি উল্লেখ কৰিব পাৰো, যাৰ ফলত ভাৰতত ইংৰাজী ভাষা শিক্ষাৰ একমাত্ৰ মাধ্যম হিচাপে ব্যৱহাৰ কৰা হৈছিল৷ ইয়াৰ ফলত ভাৰতত প্ৰচলিত পৌৰাণিক শিক্ষা ব্যৱস্থাৰ বিলোপ হৈছিল৷

স্বাধীনতাৰ পাছতো ভাৰত চৰকাৰে বৃটিচৰ কালত ৰূপায়ণ কৰা এনে বহু নীতি কাৰ্যকৰী হৈ থাকিল বা আছে৷ সংবিধানতো ইয়াৰ প্ৰভাৱ পৰিস্ফুট৷ পাছলৈ বহু সংখ্যক সংশোধনৰ ফলত ই আজিৰ ৰূপ লৈছে৷ ৮৬ তম সংবিধান সংশোধনীৰ জৰিয়তে শিক্ষা মৌলিক অধিকাৰ, ৯৩ তম সংশোধনীৰ ফলত OBC, সংখ্যা লঘু সম্প্ৰদায়, আদিৰ বাবে সংৰক্ষণৰ সুবিধা প্ৰদান কৰা হৈছিল৷ এনে ধৰণৰ পৰিৱৰ্তনৰ কাৰনেই হৈছে ক্ষমতাত অধিষ্ঠিত ৰাজনৈতিক দল সমূহৰ আদৰ্শ৷

বৰ্তমানৰ ভাৰতবৰ্ষ এখন গনতান্ত্ৰিক কল্যানকামী ৰাষ্ট্ৰ৷ সৱল গনতন্ত্ৰত বাবে সু-শিক্ষা আৰু নাগৰিকৰ স্বাক্ষৰতা অতি জৰুৰী৷ সেয়েহে ৰাষ্ট্ৰীয় শিক্ষা আইন, ৰাষ্ট্ৰীয় শিক্ষা নীতি আদি প্ৰণয়ণ কৰি জনসাধাৰণৰ মাজত শিক্ষাৰ বিস্তাৰ আৰু শৈক্ষিক সমতা স্থাপনৰ প্ৰয়াস কৰা হৈছে৷

### ৰাষ্ট্ৰ আৰু শিক্ষা

ৰাষ্ট্ৰ আৰু শিক্ষাৰ বাবে ক্লিক কৰক- Click Here

asomidbi.in